অসমীয়া প্ৰতিদিন

কৰাৰ প্ৰস্তাৱ সভাত গ্ৰহণ কৰা হয়।

# কেন্দ্ৰীয় মাধ্যমিক শিক্ষা পৰিষদ

## ৰাষ্ট্ৰীয় অৰ্হতা তথা প্ৰৱেশ পৰীক্ষা-II (ইউজি)

## নামভৰ্তিৰ জাননী

মাননীয় উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশাৱলী অনুসৰি আৰু কেন্দ্ৰীয় চৰকাৰে ২৪-৫-২০১৬ ত এনইইটি পৰীক্ষা পৰিচালনা সন্দৰ্ভত প্ৰৱৰ্তন কৰা অধ্যাদেশ অনুসৰি চেণ্ট্ৰেল ব'ৰ্ড অৱ্ ছেকেণ্ডাৰি এডুকেচন (কেন্দ্ৰীয় মাধ্যমিক শিক্ষা পৰিষদ), দিল্লীয়ে ভাৰত চৰকাৰৰ কেন্দ্ৰীয় স্বাস্থ্য আৰু পৰিয়াল কল্যান মন্ত্ৰালয়ৰ অধীনস্থ মেডিকেল কাউন্সিল অৱ্ ইণ্ডিয়া/ডেণ্টেল কাউন্সিল অৱ্ ইণ্ডিয়াৰ অনুমোদনক্ৰমে পৰিচালিত ভাৰতৰ চিকিৎসা/দন্ত চিকিৎসা মহাবিদ্যালয়সমূহৰ এমবিবিএছ/বিডিএছ পাঠ্যক্ৰমত নামভৰ্তিৰ বাবে পৰিচালনা কৰিবলগীয়া নেছনেল এলিজিবিলিটি কাম এণ্ট্ৰেন্স টেষ্ট-II (ইউজি) (ৰাষ্ট্ৰীয় অৰ্হতা তথা প্ৰৱেশ পৰীক্ষা)ৰ বাবে আবেদনপত্ৰ আহ্বান কৰিছে।

ৰাষ্ট্ৰীয় অৰ্হতা তথা প্ৰৱেশ পৰীক্ষা-II (ইউজি), ২০১৬ ত, নিম্নোক্তসকল নামভৰ্তিৰ যোগ্য ঃ

i. সৰ্বভাৰতীয় সংৰক্ষিত (কোটা) আসনসমূহ।

ii. সংশ্লিষ্ট ৰাজ্য চৰকাৰৰ ইচ্ছা অনুসাৰে ৰাজ্যিক চৰকাৰৰ বাবে সংৰক্ষিত (কোটা) আসনসমূহ।

iii. ব্যক্তিগত খণ্ডৰ চিকিৎসা (দন্ত মহাবিদ্যালয় অথবা যিকোনো ব্যক্তিগত খণ্ডৰ/ডীমদ বিশ্ববিদ্যালয়ৰ বাবে প্ৰাইভেট/মেনেজমেণ্ট/এনআৰআইৰ বাবে সংৰক্ষিত (কোটা) আসনসমূহ।

### পৰীক্ষাৰ ধৰণ

এনইইটি-II পৰীক্ষা পদাৰ্থবিদ্যা, ৰসায়ন, জীৱবিজ্ঞান (বটানি আৰু জুলজি) বিষয়ক প্ৰশ্ন সন্নিবিষ্ট মুঠ ১৮০ নম্বৰৰ অবজেক্টিভ ধৰণৰ প্ৰশ্নৰ এখন কাকতেৰে অনুষ্ঠিত হ'ব। পুৱা ১০.০০ বজাৰ পৰা দুপৰীয়া ১.০০ বজালৈকে এই কাকতৰ বাবে মুঠতে ০৩ ঘণ্টা সময় নিৰ্ধাৰণ কৰা হৈছে।

### অৰ্হতাৰ মাপকাঠি

(i) নেচনেল এলিজিবিলিটি কাম এণ্ট্ৰেন্স টেষ্ট-II (উইজি), ২০১৬ ত বহাৰ বাবে ভাৰতীয় নাগৰিকসকল আৰু বিদেশত বসবাস কৰা ভাৰতীয় (অ'চিআই)সকল যোগ্য।

(ii) নামভৰ্তিৰ সময়ত প্ৰাৰ্থীয়ে বয়স কমেও ১৭ বছৰ হ'ব লাগিব অথবা এমবিবিএছ/বিডিএছ পাঠ্যক্ৰমৰ ১ম বৰ্ষত নামভৰ্তিৰ বৰ্ষত ছাত্ৰ/ছাত্ৰীগৰাকীয়ে ৩১ ডিচেম্বৰ, ২০১৬ ত অথবা তাৰ আগতে সেই বয়স সম্পূৰ্ণ কৰিব লাগিব।

(iii) ইউনিয়ন অৱ্ ইণ্ডিয়া, ৰাজ্যিক চৰকাৰ, পৌৰ নিকায় আৰু স্থানীয় কৰ্তৃপক্ষৰ দ্বাৰা পৰিচালিত চিকিৎসা/দন্ত চিকিৎসা মহাবিদ্যালয়সমূহত ১৫৭ সৰ্বভাৰতীয় সংৰক্ষিত আসন (কোটা)ত নামভৰ্তি কৰিব বিচৰা প্ৰাৰ্থীসকলৰ কেৱল অন্ধ্ৰপ্ৰদেশ, জম্মু আৰু কাশ্মীৰ আৰু তেলেংগানা প্ৰদেশৰ সকলত বাদে বাকীসকলৰ বয়সৰ উৰ্ধসীমা হ'বগৈ প্ৰৱেশ পৰীক্ষা অনুষ্ঠিত হোৱা বৰ্ষৰ ৩১ ডিচেম্বৰ তাৰিখত ২৫ বছৰ। তদুপৰি অনুসূচিত জাতি/অনুসূচিত জনজাতি/অন্যান্য পিচপৰা শ্ৰেণীৰ প্ৰৰ্থীৰ বাবে বয়সৰ ক্ষেত্ৰত ৫ (পাঁচ) বছৰ সময়কাল ৰেহাই দিয়া হ'ব।

(iv) এমবিবিএছ/বিডিএছ পাঠ্যক্ৰমত ৰাজ্য/বিশ্ববিদ্যালয়ৰ/শিক্ষা প্ৰতিষ্ঠানৰ অধীনস্থ আসনত নামভৰ্তি কৰিবলৈ বিচৰা প্ৰৰ্থীসকলৰ বয়সৰ উৰ্ধসীমা সংশ্লিষ্ট ৰাজ্য/বিশ্ববিদ্যালয়ৰ শিক্ষা প্ৰতিষ্ঠানৰ নীতি-নিয়ম অনুসাৰে প্ৰযোজ্য হ'ব।

(v) পৰীক্ষাত বহিবৰ বাবে প্ৰাৰ্থীয়ে এককভাৱে পদাৰ্থবিদ্যা, ৰসায়ন, জীৱবিজ্ঞান/জৈৱপ্ৰযুক্তি আৰু ইংৰাজী বিষয়ত উত্তীৰ্ণ হোৱাৰ লগতে প্ৰৰ্থীয়ে পদাৰ্থবিদ্যা, ৰসায়ন, জীৱবিজ্ঞান/জৈৱ প্ৰযুক্তি বিষয়ত সামগ্ৰিকভাৱে কমেও ৫০% নম্বৰ লাভ কৰিব লাগিব। অনুসূচিত জাতি/অনুসূচিত জনজাতি অথবা অন্যান্য পিচপৰা শ্ৰেণীৰ প্ৰাৰ্থীৰ ক্ষেত্ৰত, সাধাৰণ শ্ৰেণীৰ পৰীক্ষাৰ্থীৰ ক্ষেত্ৰত প্ৰযোজ্য ৫০% নম্বৰৰ পৰিবৰ্তে পদাৰ্থবিদ্যা, ৰসায়ন, জীৱবিজ্ঞান/জৈৱ-প্ৰযুক্তি বিষয়ত সামগ্ৰিক নম্বৰ কমেও ৪০% হ'ব লাগিব। তেনেদৰেই ভৰিৰ তলছোৱাৰ চলন শক্তিহীন ব্যক্তিৰ ক্ষেত্ৰত, সাধাৰণ-পিএইচৰ ক্ষেত্ৰত ৪৫% নম্বৰ আৰু এছচি-পিএইচ/এছটি-পিএইচ/অ'বিচি-পিএইচৰ ক্ষেত্ৰত ৪০% নম্বৰ পাব লাগিব। ২০১৬ত XII শ্ৰেণীৰ পৰীক্ষাত বহা সকলেও পিচলৈ অৰ্হতাৰ স্বৰ্তসমূহ পূৰণ কৰাৰ চৰ্তত বিশেষভাৱে পৰীক্ষাত বহিব পাৰিব।

(vi) অন্ধ্ৰ প্ৰদেশ, তেলেংগানা আৰু জেএণ্ডকে ৰাজ্যৰ প্ৰাৰ্থীসকলে ১৫% সৰ্বভাৰতীয় সংৰক্ষিত আসনৰ বাবে যোগ্য বিবেচিত নহ'ব, কাৰণ এইসমূহ ৰাজ্যই প্ৰতিষ্ঠা কালৰে পৰাই সৰ্বভাৰতীয় আঁচনিৰ পৰা আতৰি আছে। অৱশ্যে তেওঁলোকে ব্যক্তিগত চিকিৎসা/দন্ত মহাবিদ্যালয় অথবা অন্যান্য যিকোনো ব্যক্তিগত/ডীমড বিশ্ববিদ্যালয় আৰু পুনেৰ এএফএমচিত নামভৰ্তিৰ বাবে এনইইটি-II পৰীক্ষাত বহিব পাৰিব।

এনইইটি-II ৰ বাবে কোনে আবেদন জনাব পাৰিব লেখ আবেদন (চি) নং. ২৬১, ২০১৬ মৰ্মে ০৯-০৫-২০১৬ত মাননীয় উচ্চতম ন্যায়ালয়ে প্ৰদান কৰা নিৰ্দেশনাৱলী আৰু সংশ্লিষ্ট অন্যান্য প্ৰসংগ অনুসাৰে, এনইইটি-II ৰ বাবে নিম্নোক্ত প্ৰাৰ্থীসকলে আবেদন জনাব পাৰিব ঃ

ক. এআইপিএমটি-২০১৬/এনইইটি-I ত পঞ্জীয়ন কৰাবলৈ সমৰ্থ নোহোৱা বাদবাকী প্ৰাৰ্থীসকলে।

খ. এআইপিএমটি-২০১৬/এনইইটি-I ত পঞ্জীয়ন কৰা, কিন্তু এনইইটি-I ত বহিবলৈ সক্ষম নোহোৱা প্ৰাৰ্থীসকল।

গ. এআইপিএমটি-২০১৬/এনইইটি-I ত পঞ্জীয়ন কৰাৰ লগতে পৰীক্ষাত বহা কিন্তু এনইইটি-I ত বিভিন্ন অসুবিধাৰ বাবে ভালদৰে প্ৰস্তুতি চলাবলৈ সক্ষম নোহোৱা প্ৰাৰ্থীসকল।

| পৰীক্ষাৰ তাৰিখ | ঃ | ২৪ জুলাই, ২০১৬ (দেওবাৰ) |
|---|---|---|
| সূচী আৰু মাচুলৰ বিশদ | | |
| অনলাইন আবেদনপত্ৰৰ প্ৰপত্ৰ দাখিলৰ সূচী | ই-চালানৰ জৰিয়তে মাচুল | অন্যান্য ই-মোডৰ জৰিয়তে মাচুল |
| | ২৬-০৫-২০১৬ (বৃহস্পতিবাৰ) ৰ পৰা ২১.০৬.২০১৬ (মঙলবাৰ) (মাজনিশা ০০.০০ বজালৈকে | ২৬-০৫-২০১৬ (বৃহস্পতিবাৰ) ৰ পৰা ২৫.০৬.২০১৬ (শনিবাৰ) (মাজনিশা ০০.০০ বজালৈকে |
| মাচুলৰ ক্ষেত্ৰত সফলতা সহকাৰে চূড়ান্ত লেনদেনৰ অন্তিম তাৰিখ | ২৫-০৬-২০১৬ (শনিবাৰ) (মাজনিশা ০০.০০ বজালৈকে | ২৫-০৬-২০১৬ (শনিবাৰ) (মাজনিশা ০০.০০ বজালৈকে |
| মাচুলৰ বিশদ | জেনেৰেল/অ'বিচিৰ বাবে | এছচি/এছটি/পিএইচৰ বাবে |
| | ১৪০০/- টকা (আইএনআৰ) | ৭৫০/- টকা (আইএনআৰ) |

### চিকিৎসা/দন্ত চিকিৎসা মহাবিদ্যালয়ত নামভৰ্তিৰ ক্ষেত্ৰত আসন সংৰক্ষণ

১. নেচনেল এলিজিবিলিটি কাম এণ্ট্ৰেন্স টেষ্টত প্ৰাপ্ত নম্বৰৰ ভিত্তিত উত্তীৰ্ণ প্ৰাৰ্থীসকলৰ সৰ্বভাৰতীয় পৰ্যায়ৰ এখন মেধাভিত্তিক তালিকা প্ৰস্তুত কৰাৰ লগতে সৰ্বভাৰতীয় ভিত্তিত ৰেংক প্ৰদান কৰা হ'ব আৰু প্ৰাৰ্থীসকলক উল্লেখিত তালিকা অনুসাৰে এমবিবিএছ/বিডিএছ পাঠ্যক্ৰমত নামভৰ্তি কৰোৱা হ'ব যদিও এইক্ষেত্ৰত প্ৰচলিত সংৰক্ষণ আঁচনিসমূহৰ ব্যৱস্থাৱলী অনুসৰণ কৰা হ'ব।

২. এমবিবিএছ/বিডিএছ পাঠ্যক্ৰমত সকলো নামভৰ্তি কেৱল নেচনেল এলিজিবিলিটি কাম এণ্ট্ৰেন্স টেষ্টত প্ৰাপ্ত নম্বৰৰ ভিত্তিত নিৰ্দিষ্ট শাখা (কেটাগৰি) অনুসাৰে কৰোৱা হ'ব।

৩. চিকিৎসা/দন্ত চিকিৎসা মহাবিদ্যালয়সমূহত প্ৰচলিত অন্যান্য সকলো অৰ্হতাৰ মাপকাঠি সংশ্লিষ্ট ৰাজ্য/ইউটি/শিক্ষা প্ৰতিষ্ঠান/বিশ্ববিদ্যালয়ৰ নীতি-নিয়ম আৰু আঁচনি অনুসাৰে প্ৰযোজ্য হ'ব।

### কমন ছৰ্ভিচেছ চেণ্টাৰ/ফেচিলিটেচন চেণ্টাৰ্ছ

আবেদনপত্ৰৰ প্ৰপত্ৰ পূৰণ কৰাৰ ক্ষেত্ৰত প্ৰয়োজনসাপেক্ষে, প্ৰাৰ্থীসকলে কমন ছাৰ্ভিচেজ চেণ্টাৰৰ সহায় ল'ব পাৰে। কমন ছাৰ্ভিচেজ চেণ্টাৰৰ বিশদ তথ্য www.aipmt.nic.in ৱেবছাইটত দিয়া হৈছে।

### কেনেদৰে আবেদন কৰিব

প্ৰাৰ্থীয়ে কেৱল অনলাইনযোগে আবেদন জনাব পাৰিব।

পৰিষদৰ ৱেবছাইট www.aipmt.nic.in ত অনলাইন আবেদনপত্ৰ দাখিল কৰিব পাৰিব। অনলাইন আবেদনপত্ৰ দাখিল আৰু মাচুল পৰিশোধ সন্দৰ্ভত সকলো নিৰ্দেশনা এই ৱেবছাইটতে পাব।

প্ৰাৰ্থীসকলে নিম্নোক্ত ধৰণেৰে মাচুল পৰিশোধ কৰিব পাৰে ঃ

ক. অনলাইন গেটৱে পেমেণ্টৰ সুবিধা গ্ৰহণ কৰি ডেবিট/ক্ৰেডিট কাৰ্ডৰ জৰিয়তে অথবা

খ. www.aipmt.nic.in ৱেবছাইটৰ পৰা পোনপটীয়াকৈ ই-চালান ডাউনলোড কৰি ছিণ্ডিকেট বেংক, ষ্টেট বেংক অৱ্ ইণ্ডিয়া, আই চি আই চি আই বেংক অথবা এইচ ডি এফ চি বেংকে তদাৰক কৰা চি বি এছ ই বেংক একাউণ্টত ই-চালানৰ জৰিয়তে জমা কৰি (ই-চালানৰ জৰিয়তে ধন জমা দিবলৈ বিচৰাসকলৰ বাবে অনলাইন আবেদনপত্ৰ দাখিলৰ অন্তিম তাৰিখ ২১ জুন, ২০১৬।)

গ. নেট-বেংকিং

ঘ. কমন চাৰ্ভিচ চেণ্টাৰৰ ই-ৱালেট (চিএছচি)

### ইনফৰ্মেচন বুলেটিন

পৰীক্ষা, পাঠ্যক্ৰম, পৰীক্ষাত বহাৰ বাবে অৰ্হতাৰ মাপকাঠি, সংৰক্ষণ, পৰীক্ষাৰ মাচুল, পৰীক্ষা অনুষ্ঠিত হ'বলগীয়া মহানগৰীসমূহ, অৰ্হতাৰ ক্ষেত্ৰত ৰাজ্যৰ কোড, বয়স, ইত্যাদি সকলো বিশদ তথ্য ইনফৰ্মেচন বুলেটিনত অন্তৰ্ভুক্ত হৈছে আৰু এই বুলেটিন www.aipmt.nic.in ৱেবছাইটত সহজেই উপলব্ধ হ'ব। সেয়েহে, প্ৰাৰ্থীসকলে আবদেনপত্ৰৰ প্ৰপত্ৰ দাখিল কৰাৰ পূৰ্বে অনলাইন ইনফৰ্মেচন বুলেটিনত সকলোবোৰ বিশদ তথ্য ভালদৰে পুনৰাই চাই ল'ব পাৰে।

ঠিকনা
দ্য ডেপুটি ছেক্ৰেটাৰি (এক্সামিনেচন)
নেচনেল এলিজিবিলিটি কাম এণ্ট্ৰেন্স টেষ্ট ইউনিট,
চেণ্ট্ৰেল ব'ৰ্ড অৱ্ ছেকেণ্ডাৰি এডুকেচন,
শিক্ষা কেন্দ্ৰ, ২, কমিউনিটি চেণ্টাৰ,
প্ৰীতি বিহাৰ, দিল্লী-১১০০৯২

যোগাযোগৰ বিশদ
ৱেবছাইট-www.aipmt.nic.in
ই-মেইল- aipmt.cbse@nic.in
ফোন নং- ০১১-২২৫০৯২৫৬-৫৯, ২২০১৯৬৮৩, ২২৫২১০৮১
ফেক্স নং ঃ ০১১-২২৫০৯২৫১

অফিচাৰ অন্ স্পেচিয়েল ডিউটি (এনইইটি)

davp 21107/11/0019/1617